# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 31-03-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
## HEADLINES

**::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত বিশেষ অনুষ্ঠানত এইবছৰৰ ভাৰতৰত্ন সন্মান প্ৰদান কৰে।

২। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মিৰাটৰ এখন নিৰ্বাচনী সভাত ভাষণ দি উত্তৰ প্ৰদেশত নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিব।

৩। ভাৰতীয় নৌসেনা বাহিনীয়ে ইৰাণৰ **অল-কম্বৰ** নামৰ মাছধৰা জাহাজখন জলদস্যুৰ কবলৰ পৰা উদ্ধাৰ কৰিছে আৰু জাহাজখন  অপহৰণ কৰা ৯জন জলদস্যুক আত্মসমপৰ্ণৰ বাবে বাধ্য কৰাবলৈ সমৰ্থ হৈছে।

৪। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে সোমবাৰ পৰ্যন্ত উত্তৰ-পূৰ্বাঞ্চলত ধুমুহা-বৰষুণ অব্যাহত থাকিব পাৰে বুলি আগলি বতৰা দিছে।

**আৰু**

৫। লক্ষ্নৌ চুপাৰ জায়েণ্টছে যোৱা নিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পাঞ্জাব কিংছক ২১ ৰানত পৰাস্ত কৰে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত বিশেষ অনুষ্ঠানত এইবছৰৰ ভাৰতৰত্ন সন্মান প্ৰদান কৰে। প্ৰাক্তন প্ৰধানমন্ত্ৰী চৌধাৰী চৰণ সিং আৰু পি ভি নৰসিংহ ৰাওৰ লগতে বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কপুৰী ঠাকুৰ আৰু যশস্বী বিজ্ঞানী এম এছ স্বামীনাথনক মৰণোত্তৰভাৱে ভাৰতৰত্ন সন্মানেৰে সন্মানিত কৰা হৈছে। এই অনুষ্ঠানত আটাইকেইগৰাকী সন্মানপ্ৰাপকৰ পৰিয়ালৰ লোকে ভাৰত ৰত্ন সন্মান গ্ৰহণ কৰে। কালিৰ অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰৰ উপৰি বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰ আৰু কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে উপস্থিত থাকে। প্ৰাক্তন উপ-প্ৰধানমন্ত্ৰী তথা বিজেপিৰ বৰ্ষীয়ান নেতা লালকৃষ্ণ আদৱানীক আজি ৰাষ্ট্ৰপতিয়ে আনুষ্ঠানিকভাৱে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰত ৰত্ন প্ৰদান কৰিব।

০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মিৰাটৰ এখন নিৰ্বাচনী সভাত ভাষণ দি উত্তৰ প্ৰদেশত নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিব। বিজেপিয়ে মিৰাট সংসদীয় সমষ্টিত ৰামায়ণ টিভি ধাৰাবাহিকৰ জৰিয়তে খ্যাতি অৰ্জন কৰা অৰুণ গোভিলক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথ,

ৰাষ্ট্ৰীয় লোকদলৰ সভাপতি জয়ন্ত চৌধৰী আৰু বিজেপিৰ আন ভালেসংখ্যক নেতা সভাত উপস্থিত থাকিব। বিজেপি নেতৃত্বাধীন এন ডি এ মিত্ৰজোঁটে কেন্দ্ৰত পুনৰ ক্ষমতালৈ আহিব বুলি আস্থা প্ৰকাশ কৰিছে আৰু এইক্ষেত্ৰত উত্তৰ প্ৰদেশৰ ফলাফল অতিকৈ গুৰুত্বপূৰ্ণ হ'ব। উত্তৰ প্ৰদেশত সৰ্বাধিক ৮০টা সংসদীয় সমষ্টি আছে।

০০০০০

বিজেপিয়ে আসন্ন লোকসভা নিৰ্বাচনৰ বাবে ১১ গৰাকী প্ৰাৰ্থীৰ আৰু এখন তালিকা প্ৰকাশ কৰিছে। সেই অনুসাৰে ভৰ্ত্ৰুহৰি মেহতাব কটক সংসদীয় সমষ্টিৰ পৰা বিজেপিৰ প্ৰাৰ্থী হ'ব। একেদৰে আমেৰিকা যুক্তৰাষ্ট্ৰত ভাৰত প্ৰাক্তন ৰাষ্ট্ৰদূত তৰণজিৎ সিং সান্ধু অমৃতসৰৰ পৰা বিজেপিৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব। হংসৰাজ হংস ফৰিদকোট, প্ৰীনিত কৌৰ পাটিয়ালা, ৰৱনিৎ সিং বিট্টু লুধিয়ানা আৰু সুশীল কুমাৰ ৰিংকুই জলন্ধৰৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

০০০০০

মহাৰাষ্ট্ৰৰ অজিত পাৱাৰ নেতৃত্বাধীন এন চি পি দলৰ নেতা সুনেত্ৰ পাৱাৰক বাৰামাটি লোকসভা সমষ্টিৰ প্ৰাৰ্থী হিচাপে ঘোষণা কৰা হৈছে। শাৰদচন্দ্ৰ পাৱাৰ নেতৃত্বাধীন এন চি পিয়ে প্ৰথমখন পাঁচজনীয়া তালিকা ঘোষণা কৰাৰ পাছতে দলটোৰ সভাপতি সুনীল টাটকাৰে পাৱাৰৰ প্ৰাৰ্থীত্ব ঘোষণা কৰে। ইয়াৰ পূৰ্বে কালি শাৰদ পাৱাৰ নেতৃত্বাধীন এন চি পি দলে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া এখন পাঁচজনীয়া প্ৰাৰ্থী তালিকা ঘোষণা কৰে। সেই অনুসৰি দলটোৱে বাৰামাটিৰ পৰা শাৰদ পাৱাৰৰ কন্যা সুপ্ৰিয়া চুলে, ৱৰ্ধা আসনৰ পৰা অমৰ কালে, আহমেদ নগৰৰ পৰা নীলেশ লংকে , ডিন্দোৰিৰ পৰা ভাস্কৰ ভগ্ৰে , আৰু শ্বিৰুৰৰ পৰা আমোল কলহেক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছে।

০০০০০

নাগালেণ্ডত আসন্ন লোকসভা নিৰ্বাচনত তিনিগৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সাজু হৈছে। প্ৰাৰ্থিত্ব প্ৰত্যাহাৰৰ অন্তিম সময়সীমা কালি শেষ হোৱাৰ লগে লগে নাগালেণ্ডৰ আয়ুক্ত তথা ৰিটাৰ্নিং বিষয়া সুশীল কুমাৰ পেটেলে জনোৱা অনুসৰি কোনো এগৰাকী প্ৰাৰ্থীয়ে প্ৰা ৰ্থিত্ব প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত লোৱা নাই। ইয়াৰ লগে লগে আগন্তুক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া নিশ্চিত প্ৰাৰ্থীসকল হ'ল এনডিপিপিৰ ড০ চুম্বেন মুৰী, কংগ্ৰেছ দলৰ এছ সুপংমেৰেন জামিৰ আৰু নিৰ্দলীয় প্ৰাৰ্থী হাইথুং টুংগো লোথা। ১৯ এপ্ৰিলত প্ৰথম পৰ্যায়ৰ নিৰ্বাচনতে নাগালেণ্ডত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব আৰু ৪ জুনত ভোট গণনা সম্পন্ন হ'ব।

০০০০০

ভাৰতীয় নৌসেনা বাহিনীয়ে ইৰাণৰ **অল-কম্বৰ** নামৰ মাছধৰা জাহাজখন জলদস্যুৰ কবলৰ পৰা উদ্ধাৰ কৰিছে আৰু জাহাজখন অপহৰণ কৰা ৯জন জলদস্যুক আত্মসমৰ্পণৰ বাবে বাধ্য কৰাবলৈ সমৰ্থ হৈছে। জলদস্যুকেইজনক ২০২২ চনৰ সামুদ্ৰিক ডকাইতি প্ৰতিৰোধী আইন অনুসৰি পৰৱৰ্তী আইনী ব্যৱস্থাৰ বাবে ভাৰতলৈ অনা হৈছে।

ভাৰতীয় নৌসেনাৰ আই এন এছ সুমেধা আৰু আই এন এছ ত্ৰিশূল জাহাজখনে শুকুৰবাৰে নিচেই পুৱা ইৰাণৰ **অল-কন্বৰ** নামৰ এই জাহাজখন মাজ সাগৰত আগচি ধৰে আৰু জলদস্যুৰ কবলৰ পৰা মুক্ত কৰে।

০০০০০

ভাৰতীয় নৌসেনাই আৰৱ সাগৰৰ ছোমালি জলদস্যুৰ পৰা শুকুৰবাৰে ২৩ গৰাকী পাকিস্তানী নাগৰিকক উদ্ধাৰ কৰাৰ বাবে দলটোৱে ইণ্ডিয়া জিন্দাবাদ ধ্বনি দি ভাৰতক এই সহায়ৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছে। ভাৰতীয় নৌসেনাৰ এটা বিশেষজ্ঞ দলে পাকিস্তানৰ নাগৰিকসকলক ৯ সশস্ত্ৰ জলদস্যুৰ কৱলৰ পৰা ৰক্ষা কৰে আৰু মাছ ধৰা জাহাজ অল-কম্বৰৰ পৰিষ্কাৰকৰণ আৰু সাগৰীয় যোগ্যতা পৰীক্ষা সম্পূৰ্ণ কৰে। ইৰাণৰ পতাকা থকা মাছ ধৰা জাহাজখন জলদস্যুৰ কৱলৰ পৰা মুক্ত হোৱাৰ পিছতে আৰৱ সাগৰত পাকিস্তানী দলটোৱে ইণ্ডিয়া জিন্দাবাদ শ্লোগান দিয়া শুনিবলৈ পোৱা যায়। উল্লেখযোগ্য যে, ভাৰতীয় নৌসেনাই বিশেষ সূত্ৰৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিতবৃহস্পতিবাৰে সন্ধিয়া ইৰাণৰ মাছধৰা জাহাজখন জলদস্যুৰ কৱলত পৰাৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি দুখন জাহাজেৰে অভিযান চলাইছিল।এটা বিবৃতিযোগে ভাৰতীয় নৌসেনাই কয় যে , তেওঁলোকে অঞ্চলটোৰ সামুদ্ৰিক নিৰাপত্তা আৰু নাৱিকসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে সোমবাৰ পৰ্যন্ত উত্তৰ-পূৰ্বাঞ্চলত ধুমুহা-বৰষুণ অব্যাহত থাকিব পাৰে বুলি আগলি বতৰা দিছে। এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত ধাৰাসাৰ বৰষুণ আৰু তুষাৰপাত হ'ব পাৰে। বতৰ বিজ্ঞান বিভাগে ওড়িশা, পশ্চিমবংগৰ গংগা নৈৰ কাষৰীয়া অঞ্চল, ঝাৰখণ্ড, পূব মধ্যপ্ৰদেশ, মধ্য মহাৰাষ্ট্ৰ, বিদৰ্ভা আৰু চত্তিশগড়ত আজি পৰ্যন্ত বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে। বিভাগটোৱে লগতে উত্তৰ কৰ্ণাটক, তেলেংগানা আৰু ৰায়েলছিমাত বুধবাৰলৈ গ্ৰীষ্ম প্ৰবাহৰ প্ৰকোপ অব্যাহত থাকিব পাৰে বুলি আগলি বতৰা দিছে। পৰৱৰ্তী ২-৩ দিনত মধ্য আৰু পূব ভাৰতৰ ভালেমান অংশত সৰ্বাধিক তাপমাত্ৰা ২ৰ পৰা ৩ ডিগ্ৰী ছেলছিয়াছ বৃদ্ধি পাব পাৰে বুলি বতৰ বিজ্ঞান বিভাগে পূৰ্বানুমান কৰিছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে ইষ্টাৰৰ প্ৰাক্-ক্ষণত দেশবাসীক ওলগ জনাইছে। শ্ৰীমতী মুৰ্মুৱে এটা বাৰ্তাযোগে কৈছে যে, যীশুখ্ৰীষ্টৰ পুনৰুজ্জীৱনৰ স্মৃতিত উদযাপন কৰা এই উৎসৱ মৰম, ভালপোৱা আৰু কৰুণাৰ প্ৰতীক। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, ইষ্টাৰে স্বাশ্বত সত্যৰ বাৰ্তা দিয়ে আৰু সকলোকে ত্যাগ আৰু ক্ষমাৰ পথ দেখুৱায়। যীশুখ্ৰীষ্টৰ শিকনিসমূহে আমাক শান্তি আৰু সমন্বয়ৰ পথেৰে অগ্ৰসৰ হোৱাত সহায় কৰি আহিছে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰকাশ কৰে।

উপ-ৰাষ্ট্ৰপতি ধনখড়ে তেওঁৰ বাৰ্তাত কৈছে যে, যীশুখ্ৰীষ্টৰ পুনৰুজ্জীৱনৰ স্মৃতিত পালন কৰা ইষ্টাৰে মৰম ভালপোৱা, কৰুণা আৰু ক্ষমাৰ প্ৰভাৱৰ বিষয়ে সোঁৱৰাই দিয়ে। তেওঁ লগতে এই পবিত্ৰ উৎসৱে সকলোৰে জীৱনলৈ শান্তি সম্প্ৰীতিৰ বতৰা কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে।

০০০০০

বিজেপিয়ে এইবুলি কৈছে যে আয়কৰ বিভাগে কংগ্ৰেছৰ একাউণ্টসমূহ অকামিলা কৰা বুলি দাবী কৰি দলটোৱে জনসাধাৰণক বিভ্ৰান্ত কৰিব খুজিছে। দলটোৱে কৈছে যে, কেৱল নামমাত্ৰ ধনৰ ৰাশিৰ ওপৰতে নিষেধাজ্ঞা কৰা হৈছে আৰু বাকী ধনৰাশিৰ ওপৰত কোনো ধৰণৰ বাধা নিষেধ আৰোপ কৰা হোৱা নাই। নতুন দিল্লীত কালি এখন সংবাদমেল সম্বোধন কৰি দলৰ মুখপাত্ৰ ছৈয়দ জাফৰ ইছলামে আয়কৰ বিভাগৰ নিয়মাৱলী পালন নকৰি ব্যৱস্থা গ্ৰহণ কৰাৰ পিছত জনসাধাৰণক বিভ্ৰান্ত কৰাৰ বাবে কংগ্ৰেছক তীব্ৰ সমালোচনা কৰে।

০০০০০

লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে যোৱা নিশা লক্ষ্ণৌৰ অটল বিহাৰী বাজপেয়ী একানা ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পাঞ্জাব কিংছক ২১ ৰানত পৰাস্ত কৰে। পাঞ্জাব কিংছে ২০০ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ১৭৮ ৰানহে কৰিবলৈ সমৰ্থ হয়। পাঞ্জাব কিংছৰ হৈ অধিনায়ক শিখৰ ধৱনে সৰ্বাধিক ৭০ ৰান কৰে। জ'নি বেয়ৰষ্ট'ই ৪২ ৰানৰ বৰঙণি আগবঢ়ায়। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ ময়ংক যাদৱে ৩টা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৯৯ ৰান কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ হৈ কুইণ্টন ডি ক'কে ৫৪ ৰান কৰাৰ বিপৰীতে ক্ৰুনাল পাণ্ডিয়াই ৪৩ ৰানৰ বৰঙণি আগবঢ়ায়। পাঞ্জাব কিংছৰ হৈ ছেম কুৰেনে ৩টা উইকেট দখল কৰে। ময়ংক যাদৱক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাৰ আজি খেল দুখন অনুষ্ঠিত হ'ব। ইয়াৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত গুজৰাট টাইটানছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন হ'ব। আনহাতে সন্ধিয়া চাৰে ৭ বজাত বিশাখাপট্টনমত হ'বলগীয়া দ্বিতীয়খন খেলত দেলহি কেপিটেলছ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব।

০০০০০

সমাপ্ত